# কিৰগিজ গণন্ত্ৰতৰ বিদেশ মন্ত্ৰীৰ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমন ।

ফেব্ৰুৱাৰী ১৪,২০১৪

১. কিৰগিজ গণন্ত্ৰতৰ বৈদেশিক মন্ত্ৰী মহামান্য শ্ৰী আৰ্লন আবদ্যালদেইভে ভাৰতৰ বিদেশ মন্ত্ৰী শ্ৰী চালমান খুৰছীদৰ আমন্ত্ৰণ ক্ৰমে ফেব্ৰুৱাৰী ১৩ তাৰিখৰ পৰা ১৫ তাৰিখলৈ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমণ কাৰ্য্যসূচীলৈ আহে । কিৰগিজ বিদেশ মন্ত্ৰী গৰাকীয়ে শ্ৰী চালমান খুৰচীদৰ সৈতে বিশদ আলোচনা কৰাৰ লগতে কেন্দ্ৰীয় বানিজ্য আৰু উদ্যোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী ই এম সুদৰশন নাটচ্চিপান্নাৰ সৈতেও সাক্ষাৎ কৰে ।ভ্ৰমণত অহা মন্ত্ৰী গৰাকীয়ে থিঙ্ক টেঙ্ক,ইন্ডিয়া চেন্ট্ৰেল এছীয়া ফাউন্ডেশ্বন আৰু ইন্ডিয়া-কিৰগিজ ফ্ৰেন্ডশ্বিপ ছোচাইটিৰ সৈতে ও মতবিনিময় কৰে ।

২. কিৰগিজৰ বিদেশমন্ত্ৰী আৰু ভাৰতীয় বৈদেশিক মন্ত্ৰী গৰাকীয়ে বিস্তাৰিত ভাৱে দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষীক সম্পৰ্কৰ উল্লেখনীয় প্ৰগতি সন্দৰ্ভত এক পৰ্য্যালোচনা কৰে । মন্ত্ৰী দুগৰাকীয়ে বৰ্তমান আন্তৰাষ্ট্ৰীয় আৰু আঞ্চলিক বিষয়সমুহৰ ক্ষেত্ৰত দুয়োদেশৰ স্থিতি সম্বন্ধে আলোচনা কৰে ।

৩. বৈঠকৰ অন্তত দুয়োপক্ষই দ্বিপাক্ষীক সন্ধি সম্বন্ধে দুয়োপক্ষৰ সন্মতি চলি থকা আইনী সহযোগিতা সম্পৰ্কীয় তথ্যৰ আদান প্ৰদান কৰে ।তাৰোপৰি দুয়োপক্ষই কূটনৈতিক বিষয়ৰ ভ্ৰমণৰ বাবে বিষয়া সকলৰ আৰু পাছপৰ্ট থকা চাকৰীয়াল সকলৰ বাবে ভিছা বিহীন যাত্ৰা সম্বন্ধীয় চুক্তিৰ তথ্যৰ আদান প্ৰদান কৰে ।

৪.শেহতীয়া বছৰবোৰত কিৰঘিজ গণন্ত্ৰতই ভাৰতবৰ্ষৰ দৰে সংসদীয় গণন্ত্ৰতৰ ৰাজনৈতিক পথ বাছি লৈছে ।দুয়ো পক্ষই সংসদীয় বিনিময় প্ৰক্ৰিয়াক ক্ষীপ্ৰতৰ কৰাৰ উদ্দেশ্যৰে অহা বছৰ ভাৰতে কিৰঘিজ সাংসদীয় প্ৰতিনিধিৰ দলক ভাৰতলৈ আদৰনি জনোৱাৰ বাবে প্ৰস্তাব আগবঢ়াইছে ।

৫. বাণিজ্য,অৰ্থনৈতিক,বৈজ্ঞানিক,প্ৰযুক্তি আৰু সংস্কৃতিৰ সন্দৰ্ভত বিছেকত ২০১৩ চনৰ জুলাইত অনুষ্ঠিত ষষ্ঠ ভাৰত-কিৰঘিজ গণন্ত্ৰতৰ আন্তবৰ্তী-চৰকাৰী আয়োগত দুয়ো থন দেশেই প্ৰট'কল কাৰ্য্যকৰীৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা প্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰিছে ।তেওঁলোকে নিৰীক্ষন কৰিছে যে বাণিজ্য স্তৰসমুহ সম্ভাৱনাপূৰ্ণতাৰ বহুত তলত পোৱা গৈছে আৰু সেয়ে দ্বিপাক্ষীক বাণিজ্যৰ স্তৰ বৰ্দ্ধিত কৰিবৰ বাবে দুয়ো দেশে কেতবাৰ পদক্ষেপ গ্ৰহন কৰিবলৈ সিদ্ধান্ত গ্ৰহন কৰিছে ।দুয়ো দেশৰ মাজত দ্বিপাক্ষীক বাণিজ্য বৃদ্ধি কৰাৰ বাবে খনি,ফাৰ্মাটিউকেল,টেক্সটাইল আৰু গাৰমেন্টচ উদ্যোগ,পৰিবহন আৰু যোগাযোগ শিক্ষা,স্বাস্থ্য আৰু পৰ্য্যটন ক্ষেত্ৰসমুহ দুয়োদেশে দ্বিপাক্ষীক বিনিয়োগৰ যোগেদি সফলতা লাভ কৰাৰ অধিক সম্ভাৱনা থকাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে ।কিৰঘিজ গণন্ত্ৰতলৈ ভাৰতীয় বাণিজ্যিক প্ৰতিনিধিৰ দল এটাৰ ভ্ৰমণৰ প্ৰস্তাৱক দুয়োপক্ষই আদৰনি জনাই ।এই মুল বাণিজ্যিক প্ৰতিনিধিৰ বৈঠক থনৰ কাষৰীয়াকৈ ভাৰত-কিৰঘিজ গণন্ত্ৰতৰ যুটিয়া বাণিজ্যিক পৰিষদৰ বৈঠক অনুষ্ঠিত কৰোৰ সিদ্ধান্ত গ্ৰহন কৰা হৈছে ।

৬. ভাৰত আৰু কিৰঘিজ গণন্ত্ৰতৰ মাজত এক শক্তিশালি আৰু চিৰন্তন বিকাশমুলক অংশীদাৰিত্ব বৰ্ত্তী আছে ।দুয়োপক্ষই অনুধাৱন কৰে যে টালাচত স্থাপন কৰা আলু সংৰক্ষন প্ৰকল্পটো দুয়ো দেশৰ মাজত থকা বাণিজ্যিক অংশীদাৰিত্বৰ এক স্পষ্ট উদাহৰন ।তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত ,বিছেকত উষ্চস্তৰীয় তথ্য প্ৰযুক্তি কেন্দ্ৰ স্থাপনৰ সফল ৰুপায়ন আৰু পেন চেন্ট্ৰেল এছিয়া ই-নেটৱৰ্ক আচনিৰ প্ৰগতিৰ সম্বন্ধে দুয়ো গৰাকী মন্ত্ৰীয়ে উল্লেখ কৰে ।

৭. ভাৰতীয় পক্ষই সুৰজকুন্ড মেলাত কিৰঘিজ গণন্ত্ৰতৰ সাংস্কৃতিক গ্ৰুপৰ অংশ গ্ৰহনৰ বাবে প্ৰশংসা কৰাৰ উপৰিও এনে দ্বিপাক্ষীক সাংস্কৃতিক বিনিময় দুয়োদেশৰ মাজত অতি প্ৰয়োজন বুলি গুৰুত্ব আৰোপ কৰে ।দুয়োপক্ষই চিনেমা প্ৰডাক্টচনৰ ক্ষেত্ৰটো সহযোগিতাৰ বিষয়ে আলোচনা কৰে আৰু কিৰগিজ পক্ষই 'মানস' গ্ৰন্থ থনৰ ওপৰত যুটিয়া ভাৱে এখন থিয়েটাৰ প্ৰযোজনাৰ বাবে ভাৰতলৈ প্ৰস্তাৱ আগবঢ়াই ।

৮. ২০১৩ চনত কিৰঘিজ সুৰক্ষা মন্ত্ৰীৰ সফল নতুন দিল্লী ভ্ৰমনৰ বিষয়ে বৈঠকত উল্লেখ কৰে আৰু দুয়োদেশৰ মাজত বৃদ্ধি পোৱা সৈনিক প্ৰযুক্তিৰ সহযোগিতাৰ বাবে সন্তুস্তি প্ৰকাশ কৰে ।দুয়োপক্ষই সন্ত্ৰাসবাদ ৰোধ কৰাৰ ক্ষেত্ৰটো নিকটতম সহযোগিতা

আগবঢ়োৱাৰ বিষয়টোত গুৰুত্ব দিয়ে এই প্ৰসংগত  বিশেষকৈ আফগানিস্থানৰ নিৰাপত্তা বিষয়টোৰ উল্লেখ কৰা হয় ।

৯. ইউনাইটেড নেশ্বনত দুয়োদেশৰ নিকট সহযোগিতা নিয়মিত ৰাখিবলৈ  দুয়ো পক্ষই ঐক্যমত প্ৰকাশ কৰে ।ইউ এন পুনৰণিৰীক্ষন কৰাৰ প্ৰসংগটোতৰ ক্ষেত্ৰত ,ইউনাইটেড নেশ্বন নিৰাপত্তা পৰিষদত ভাৰতৰ স্থায়ি সদস্যতাৰ বিষয়টোক কিৰঘিজে পূৰ্ণ সমৰ্থন আগবঢ়াইছে ।তাৰোপৰি চাংহাই কোঅপাৰেশ্বন অৰগেনাইজেশ্বনত ( এচচিও ) ভাৰতৰ সম্পূৰ্ণ সদস্যতাক কিৰঘিজে  সমৰ্থন আগবঢ়াইছে ।

১০.  দুয়োদেশৰ মাজৰ গুৰুত্বপূৰ্ণ বৈঠক খন এক উষ্ম,বন্ধুত্বপূৰ্ণ আৰু দুয়োপক্ষৰ মাজৰ বুজাপৰাৰ মাজত অনুষ্ঠিত হৈছিল ।

নতুন দিল্লী

ফেব্ৰুৱাৰী ১৪,২০১৪